# NSD NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 06-07-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। সপ্তদশ ব্ৰীকচ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত উপস্থিত হৈছে।

২। ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে যোৱা নিশা ব্ৰীকচ্ ৰাষ্ট্ৰগোষ্ঠীৰ বিত্তমন্ত্ৰীসকলৰ সৈতে বিশেষ আলোচনাত মিলিত হয়।

৩। দালাই লামাৰ ৯০ বছৰীয়া জন্ম দিনত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিববতীয় আধ্যাত্মিক নেতাগৰাকীক শুভেচ্ছা জনাইছে।

৪। ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাপক ড০ শ্যামা প্ৰসাদ মুখাৰ্জীৰ ১২৫ বছৰীয়া জন্মদিৰসত আজি ৰাষ্ট্ৰই তেওঁলৈ শ্ৰদ্ধাঞ্জলি জনাইছে। ***আৰু***

৫। এজবেষ্টন টেষ্টত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ আজি পঞ্চম দিনাৰ খেল বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব।

০০০০

সপ্তদশ ব্ৰীকচ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত উপস্থিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰিছে যে, তেওঁ ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা ডা চিলভাৰ সৈতে ফলদায়ক আলোচনাৰ বাবে আগ্ৰহেৰে বাট চাইছে। চতুৰ্থবাৰৰ বাবে দক্ষিণ আমেৰিকাৰ দেশখনলৈ যোৱা প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰপতি চিলভাৰ সৈতে বাণিজ্য, প্ৰতিৰক্ষা, শক্তি, মহাকাশ, প্ৰযুক্তি, কৃষি, স্বাস্থ্য, জনসম্পৰ্ক আদি বিভিন্ন ক্ষেত্ৰত ভাৰত আৰু ব্ৰাজিলৰ সহযোগিতা বৃদ্ধিৰ উদ্দেশ্যে আলোচনাত মিলিত হোৱাৰ আশা কৰিছে। ব্ৰাজিলত উপস্থিত হোৱাৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰৱাসী ভাৰতীয় আৰু কৰ্মৰত ভাৰতীয়সকলে বিপুল আদৰণি জনায়। এটা মহিলাৰ দলে অপাৰেছন সিন্দূৰৰ সাফল্যৰ বাবে ভাৰতৰ সশস্ত্ৰ বাহিনীক অভিনন্দন জনোৱাৰ উদ্দেশ্যে কথক নৃত্য পৰিবেশন কৰে। অস্ত্ৰা লাইট নামৰ ব্ৰাজিলৰ এটা সংগীত গোষ্ঠীয়ে মন্ত্ৰ উচ্ছাৰণ কৰাৰ লগতে এটা ভক্তিমূলক গীত পৰিবেশন কৰে। প্ৰৱাসী ভাৰতীয়সকলে পৰম্পৰাগত ভাৰতীয় পোচাক পিন্ধি ত্ৰিৰংগা পতাকা জোকাৰি ভাৰত মাতা কি জয়ধবনি দি শ্ৰীমোদীক দেশখনলৈ আদৰণি জনায়।

আজি সন্ধিয়া প্ৰধানমন্ত্ৰী মোদীয়ে ব্ৰীকচ্ৰ সন্মিলনত অংশগ্ৰহণ কৰাৰ লগতে দ্বিপাক্ষিক বৈঠকসমূহত অংশগ্ৰহণ কৰিব।

ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে আৰ্জেণ্টিনাত কালি দেশখনৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলেৰ সৈতে ফলদায়ক আলোচনাত মিলিত হয়। এয়া আছিল বিগত ৫৭ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ আৰ্জেণ্টিনালৈ প্ৰথমটো দ্বিপাক্ষিক ভ্ৰমণ। দুয়োগৰাকী নেতাই মুখামুখিকৈ কথা পতাৰ পাছত প্ৰতিনিধি পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। আলোচনাৰ অন্তত দুয়োখন দেশ ব্যৱসায় আৰু বাণিজ্য, প্ৰযুক্তি, প্ৰতিৰক্ষা, মহাকাশ, স্বাস্থ্য আৰু ঔষধৰ খণ্ডত সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত সহমতত উপনীত হয়। তদুপৰি দুয়োখন দেশৰ মাজত কৌশলগত অংশীদাৰিত্ব বৃদ্ধিতো গুৰুত্ব দিয়া হয়। প্ৰধানমন্ত্ৰীয়ে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমনৰ ঘটনাৰ পৰৱৰ্তী পৰ্যায়ত ভাৰতক সমৰ্থন জনোৱাৰ বাবে আৰ্জেণ্টিনাক ধন্যবাদ জনায় আৰু ৰাষ্ট্ৰপতি মিলেক ভাৰত ভ্ৰমণৰ বাবে আমন্ত্ৰণ জনায়। আৰ্জেণ্টিনাৰ ৰাজধানী বুয়েন'ছ আয়াৰ্ছ এৰাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে তাত থকা মহাত্মা গান্ধী আৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পনেৰে শ্ৰদ্ধা জনায়।

০০০০

ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে যোৱা নিশা ব্ৰীকচ্ ৰাষ্ট্ৰগোষ্ঠীৰ বিত্তমন্ত্ৰীসকলৰ সৈতে বিশেষ আলোচনাত মিলিত হয়। এই আলোচনাত কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ উদ্দেশ্যে বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ বিষয়ে ঠাই পায়। ৰাছিয়াৰ বিত্তমন্ত্ৰী এণ্টন চিলৰেনভৰ সৈতে হোৱা বৈঠকত শ্ৰীমতী সীতাৰমনে নতুন বিকাশ বেংকৰ সৈতে জড়িত বিষয়ৰ উপৰি বিশেষকৈ অৰ্থনৈতিক খণ্ডৰ দ্বিপাক্ষিক সহযোগিতা সন্দৰ্ভত মত বিনিময় কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে চীনৰ বিত্তমন্ত্ৰী লান ফৰানকো সাক্ষাৎ কৰে। তেওঁ কয়, যে ভাৰত আৰু চীনে গোলকীয় বিকাশ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত একেলগে কাম কৰাৰ সম্ভাৱনা আছে। শ্ৰীমতী সীতাৰমনে এই আলোচনাত কয়, যে দুয়োখন দেশে বিস্তৃত এলেকাত সহযোগিতা বৃদ্ধিৰ বাবে কাম কৰিব পাৰে।

ব্ৰাজিলৰ বিত্তমন্ত্ৰী ফাৰ্নাণ্ডো হাদ্দাদৰ সৈতে হোৱা বৈঠকত তেওঁ দক্ষিণ-দক্ষিণ সহযোগিতা, গ্লোৱেল ছাউথৰ কণ্ঠ সুদৃঢ় কৰা, জলবায়ু পুঁজি আদি যৌথ স্বাৰ্থজড়িত বিষয়ৰ উপৰি ৰাষ্ট্ৰসংঘ জি টুৱেণ্টি ব্ৰীকচ্ আৰু বিশ্ব বাণিজ্য সংস্থা দৰে গোলকীয় মঞ্চৰ সন্দৰ্ভত কথা পাতে।

০০০০

দালাই লামাৰ ৯০ বছৰীয়া জন্ম দিনত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিববতীয় আধ্যাত্মিক নেতাগৰাকীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ১৪০ কোটি ভাৰতীয়ৰ হৈ প্ৰধানমন্ত্ৰীয়ে দালাই লামাক শুভেচ্ছা জনায়। শ্ৰীমোদীয়ে আধ্যাত্মিক নেতাগৰাকীক প্ৰেম, কৰুণা, ধৈৰ্য্য আৰু নৈতিক অনুশাসনৰ প্ৰতীক হিচাপে বৰ্ণনা কৰে। তেওঁ কয়, যে দালাই লামাৰ বাৰ্তাই সকলোকে অনুপ্ৰেৰণা যোগাই আহিছে। প্ৰধানমন্ত্ৰীয়ে দালাই লামাৰ সুস্বাস্থ্য আৰু দীৰ্ঘজীৱন কামনা কৰে।

০০০০

ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাপক ড০ শ্যামা প্ৰসাদ মুখাৰ্জীৰ ১২৫ বছৰীয়া জন্মদিৱসত আজি ৰাষ্ট্ৰই তেওঁলৈ শ্ৰদ্ধাঞ্জলি জনাইছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশ নাৰায়ণ সিং আৰু অন্যান্য নেতাসকলে ডং মুখাৰ্জীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সংবিধান সদনৰ চেণ্ট্ৰেল হলত অনুষ্ঠিত বিশেষ অনুষ্ঠানত ডং মুখাৰ্জীৰ প্ৰতি পুস্পাঞ্জলি অৰ্পন কৰি সকলোৱে

তেওঁৰ অৱদানক স্মৰণ কৰে। ৰে'লৱে আৰু তথ্য সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, সাংসদ মনোজ তিৱাৰী আৰু বাঁসুৰী স্বৰাজেও নতুন দিল্লীত ছহিদি পাৰ্কত থকা ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পন কৰে। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভাৰতীয় ভাষাসমূহৰ গুৰুত্ব প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ড° মুখাৰ্জীৰ অৱদানক স্মৰণ কৰে। তেওঁ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ উল্লেখ কৰি কয়, যে চৰকাৰে ড° মুখাৰ্জীৰ ভাৰতীয় ভাষাসমূহৰ সংৰক্ষণ, প্ৰসাৰ আৰু বিকাশৰ ক্ষেত্ৰত থকা দৃষ্টিভংগীক অনুধাৱন কৰিছে। তেওঁ লগতে কয়, যে ভাৰতীয় সংবিধানৰ পৰা ২০১৯ চনত ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰ কৰাৰ জৰিয়তে ড° মুখাৰ্জীৰ সংগ্ৰামক বাস্তৱ ৰূপ দিব পৰা হয়। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই দলীয় ৰাজনীতিৰ উৰ্ধত গৈ ড° মুখাৰ্জীৰ দেশৰ প্ৰতি থকা প্ৰেমক স্মৰণ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আষাঢ়ী একাদশী উপলক্ষে দেশবাসীক শুভকামনা জনাইছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে শ্ৰীমোদীয়ে কয় যে এই দিনটোত ভগৱান বিথালৰ আশীৰ্বাদ বিচাৰি তেওঁৰ ওচৰত প্ৰাৰ্থনা কৰা হয়। ভগৱান বিথালে সমাজত সুখ আৰু শান্তিৰ পথ প্ৰদৰ্শন কৰিব বুলি প্ৰধানমন্ত্ৰী আশাবাদী।

০০০০

আজি পশু সংক্ৰমন ৰোগ প্ৰতিৰোধ দিৱস। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ আই চি এম আৰৰ গৱেষণাৰ পৰা পোৱা তথ্য অনুসৰি ২০৩০ চনৰ ভিতৰত জলাতংক ৰোগ নিৰ্মুল কৰিবলৈ  হলে ভাৰতে নিৰ্ধাৰিত স্বাস্থ্য পদ্ধতি অনুসৰণ কৰিব লাগিব। আই চি এম আৰে প্ৰকাশ কৰা অনুসৰি ভাৰতত প্ৰতিবছৰে প্ৰায় ৯১ লাখ লোকক পশুৱে কামোৰে আৰু ইয়াৰে প্ৰায় ৫ হাজাৰ ৭২৬ গৰাকী লোকক কুকুৰে কামোৰাৰ ফলত জলাতংক ৰোগত মৃত্যু হয়। কুকুৰে কামোৰা প্ৰায় ৮০ শতাংশ লোকে কমেও এটাকৈ প্ৰতিষেধক লয় বুলিও সমীক্ষাত প্ৰকাশ পাইছে। ১৪ বছৰ বা  তাৰ তলৰ শিশু আৰু ৬০ বছৰ বয়সৰ উৰ্ধৰ ব্যক্তিৰ মাজত কুকুৰে কামোৰা ঘটনা অধিক বুলিও সমীক্ষাত প্ৰকাশ পাইছে।

০০০০

এজবেষ্টন টেষ্টত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ আজি পঞ্চম দিনাৰ খেল বিয়লি চাৰে তিনি  বজাত আৰম্ভ হব।

কালি চতুৰ্থ দিনা আলহী দল ভাৰতে ৬টা উইকেটৰ বিনিময়ত ৪২৭ ৰানৰ দ্বিতীয় ইনিংছ ঘোষণা কৰাৰ পাছত ইংলেণ্ডে ৭২ ৰানত তিনিটা উইকেট হেৰুৱাই শলঠেকত পৰে। ইংলেণ্ডে ৬০৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১১ ৰানতে মহম্মদ ছিৰাজৰ বলত জ'ক ক্ৰাউলিৰ উইকেট হেৰুৱায়। ইয়াৰ পাছত আকাশ দীপে বেন ডাকেট আৰু জ' ৰুটৰ উইকেট দখল কৰি ঘৰুৱা দলটোক শলঠেকত পেলায়। ইংলেণ্ডে দিনান্তত তিনিটা উইকেট হেৰুৱাই দ্বিতীয় ইনিংছত ৭২ ৰান সংগ্ৰহ কৰে। খেল সামৰাৰ পৰত অলি প'পে ২৪ আৰু হেৰি ব্ৰুকে ১৫ ৰান কৰি খেলি আছিল।

ইয়াৰ পূৰ্বে ভাৰতে কালি শুভমন গীলৰ আকৰ্ষণীয় ১৬১ আৰু কে এল ৰাহুল, ঋষভ পণ্ট আৰু ৰবীন্দ্ৰ জাদেজাৰ অৰ্ধ শতকৰ সহায়ত ৬ টা উইকেট হেৰুৱাই ৪২৭ ৰান কৰা অৱস্থাত দ্বিতীয় ইনিংছ সমাপ্তিৰ কথা ঘোষণা কৰে। ইয়াৰ লগে লগে শুভমন গীল  টেষ্ট ক্ৰিকেটৰ ১৪৮ বছৰীয়া ইতিহাসত প্ৰথম ইনিংছত দ্বি শতক আৰু দ্বিতীয় ইনিংছত শতক অৰ্জন কৰা বিশ্বৰ নৱমগৰাকী খেলুৱৈ হিচাপে পৰিগণিত হয়। দুয়োটা ইনিংছতে

খেলুৱৈগৰাকীয়ে মুঠ ৪৩০ ৰান সংগ্ৰহ কৰে। তেওঁ প্ৰথম ইনিংছত ২৬৯ ৰান আৰু দ্বিতীয় ইনিংছত ১৬১ ৰান কৰিবলৈ সমৰ্থ হয়। শুভমনে এনে কৃতিত্ব অৰ্জন কৰা ভাৰতৰ সামগ্ৰিকভাৱে দ্বিতীয় আৰু প্ৰথম গৰাকী অধিনায়ক হিচাপেও পৰিচিতি লাভ কৰে। এই কৃতিত্বৰে এখন টেষ্টত দ্বিতীয় সৰ্বাধিক ৰান কৰা খেলুৱৈ হিচাপে পৰিগণিত হয় শুভমন গীল। ইয়াৰ পূৰ্বে লৰ্ডছত ১৯৯০ চনত ভাৰতৰ বিৰুদ্ধে গ্ৰাহাম গুছে দুয়োটা ইনিংছত মুঠ ৪৫৬ ৰান কৰিছিল।

০০০০

ভাৰতীয় মহিলা ফুটবল দলে অহা বছৰ অষ্ট্ৰেলিয়াত হ'বলগীয়া এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাত খেলাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। এই খেলৰ যোগ্যতা নিৰূপনকাৰী প্ৰতিযোগিতাৰ গ্ৰুপ-বিৰ চতুৰ্থ তথা অন্তিমখন খেলত ভাৰতে কালি আয়োজক দেশ থাইলেণ্ডক ২-১ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ সংগীতা বাছফৰে দুটা গ'ল দিয়ে। ইয়াৰ আগেয়ে ভাৰতীয় দলে ২২ বছৰ পূৰ্বে মহিলাৰ এ এফ চি এছিয়ান ফুটবল প্ৰতিযোগিতাৰ বাবে যোগ্যতা অৰ্জন কৰিছিল।

০০০০

সমাপ্ত